# ডিব্ৰু মহাবিদ্যালয়ত 'বিশ্ব কবিতা দিৱস' উদ্‌যাপন

লাহোৱাল ঃ নিজা সংবাদদাতা, ২২ মাৰ্চ ঃ ডিব্ৰু মহাবিদ্যালয়ত ২১ মাৰ্চত অনলাইন মাধ্যমত 'বিশ্ব কবিতা দিৱস' উদ্‌যাপন কৰা হয়। অধ্যক্ষ ড° জিতু বুঢ়াগোহাঁয়ে উদ্বোধন কৰা এই বিশ্ব কবিতা দিৱস মহাবিদ্যালয়খনৰ অসমীয়া বিভাগ আৰু ডিব্ৰু মহাবিদ্যালয় ৰিডাৰ্ছ ক্লাবৰ যুটীয়া উদ্যোগত অনুষ্ঠিত হয়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি কবি, সমালোচক, নাজিৰা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ৰাজীৱ বৰাই 'জ্ঞানপীঠ বঁটাৰ সেন্দূৰীয়া আলিয়েদি অসমীয়া কবিতা' শীৰ্ষক বক্তৃতা আগবঢ়ায়। অসমৰ বিভিন্ন প্ৰান্তৰ শতাধিক ব্যক্তিৰ উপস্থিতিত অসমীয়া সাহিত্যৰ নৱপ্ৰজন্মৰ জনপ্ৰিয় কবি বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই, মিণ্টু সাগৰ দাস, অধ্যাপক ড° মৌচুমী দত্ত, জয়া মেধি, ড° নিৰ্মালি চক্ৰৱৰ্তীৰ লগতে শিক্ষাৰ্থী বিশাল কুৰ্মি, অৰ্পিতা দত্ত, দীক্ষা সোণোৱালে কবিতা পাঠ কৰে। স্পেনিছ কবি ফ্ৰাডাৰিকো গাৰ্থিয়া লৰকাৰ কবিতা পাঠ কৰে ডিব্ৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক দীপিকা দাসে, নোবেল বঁটা বিজয়ী কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতা পাঠ কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰী কাকুমণি কটকীয়ে। ড° বিজু মৰাণে শলাগ জ্ঞাপন কৰা অনুষ্ঠানৰ আঁত ধৰে ড° মৌচুমী দত্তই।